৪ পৃষ্ঠাত

১০ পৃষ্ঠাত


# অসম আদিত্য

গুন, ১৯৪৭ শক ■ দেওবাৰ, ১ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, March 1, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


য়া

পুনৰ
দিনাৰ
পৰা
শব্দৰ
ালীৰ
ছোঁ।
নাই

## যুৱ সমাজেই হৈছে সংসদীয় গণতন্ত্ৰৰ মূল চালিকা শক্তি ঃ মন্ত্ৰী ফুকন



**ষ্টাফ ৰিপৰ্টাৰ, ২৮ ফেব্ৰুৱাৰী ঃ** 'যুৱ সমাজেই হৈছে সংসদীয় গণতন্ত্ৰৰ মূল চালিকা শক্তি। সমাজৰ প্ৰগতি, বিকাশ আৰু ভৱিষ্যতৰ দিশ নিৰ্ধাৰণ কৰাৰ বাবে সংসদীয় গণতন্ত্ৰৰ বিকল্প নাই।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল ৬ পৃষ্ঠাত



### মুখ্য প্ৰশিক্ষকৰ দায়ি

## এছিয়ান বক্সিং বৰগোহাঁই, অ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** অলিম্পিক পদকজয়ী লাভলীনা বৰগোহাঁই আৰু বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ স্বৰ্ণজয়ী অসম কন্যা অংকুশিতা বড়োৱে এছিয়ান বক্সিং

৩ পৃষ্ঠাত
৪ পৃষ্ঠাত
১০ পৃষ্ঠাত

# অসম আদিত্য

ফাগুন, ১৯৪৭ শক ■ দেওবাৰ, ১ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, March 1, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা

## ৰা...

### -কথন

লি নিজেই বিবেচনা কৰোঁ তাকেই কৰোঁ।
কামবোৰ কৰিবলৈ তিলমানো শংকিত নহওঁ।
কৰিছিলোঁ, সমাজতত্ত্বৰ পাঠৰ দ পৃষ্ঠভূমিত
লৈ কাব্যিক চেতনাৰো প্ৰয়োজন। মানুহৰ
ন কৰিব পাৰিব লাগিব। কেৱল অংক কৰি
া খোজকাঢ়ি আগবাঢ়িব নোৱাৰি। মানুহৰ
ল যুক্তিৰেও মানুহৰ মাজত আন্তঃসম্পৰ্ক
ৰণৰ চিন্তাবোৰে মোৰ মগজুত অনবৰতে
তীয়াৰ কবিতাবোৰ ভাল পাওঁ। এই কবিৰ
পাওঁ। মই যিবোৰ পাঠ্যপুথি যুগুত কৰিছোঁ,
বস্তুৰ আলোচনাৰ আগতে বৈশালী চুতীয়াৰ
উপলব্ধি কৰোঁ যে সমাজখনক গভীৰভাৱে
লাগিব। অন্ততঃ বুজি নাপালেও কবিতাক
অধ্যয়ন কৰা বিষয়বোৰ বুজাৰ প্ৰস্তুতি এটা
বুলি পাঠ্যপুথিৰ প্ৰাৰম্ভণতে কবিতা এটা
মানি ল'ব নোৱাৰে। জীৱন চেতনা আৰু
খুঁচৰিবলৈ আগ্ৰহী নোহোৱাসকলে এনেদৰে
কৰাটো নিশ্চিতভাৱে মানি ল'ব নোৱাৰিব।
গৰাকীৰ বিষয়ে জানিবলৈ বিচাৰে। বৈশালী
কা প্ৰশ্ন কৰে। কিমানক উত্তৰ দিম? অথবা
হো কম। সেয়ে এদিন এটা কবিতা লিখিলোঁ।
বাবে কঠিন কাম, তথাপি চেষ্টা কৰিলোঁ।
নিদি মাথোঁ এখন বগা কাগজত লিখিলোঁ—

## যুৱ সমাজেই হৈছে সংসদীয় গণতন্ত্ৰৰ মূল

কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰণালয়ৰ উদ্যোগত অনুষ্ঠিত 'বিকশিত ভাৰত ঃ যুৱ সংসদ, ২০২৬' শীৰ্ষক অনুষ্ঠান উদ্বোধন কৰি শক্তি, দক্ষতা, নিযুক্তি আৰু উদ্যোগশীলতা, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে আজি এইদৰে কয়। 'জৰুৰী অৱস্থাৰ ৫০ বছৰ ঃ ভাৰতীয় গণতন্ত্ৰৰ বাবে শিক্ষা' শীৰ্ষক বিষয়ৰ যুৱ সংসদখনিত মন্ত্ৰী ফুকনে কয়— ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰত যুৱ সমাজৰ ওপৰতেই ৰাষ্ট্ৰৰ বৰ্তমান আৰু ভৱিষ্যৎ নিৰ্ভৰশীল। মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন, এন চি চিৰ কেডেটে সভাগৃহলৈ উষ্ম আদৰণি জনাই অনা অনুষ্ঠানটিত তেওঁ কয়— যুৱ শক্তি অবিহনে এখন দেশৰ প্ৰগতি অসম্ভৱ। অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা যুৱ সংসদখনিৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই যুৱ সংসদৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি কয়— দেশৰ গণতন্ত্ৰ হ'ল এজোপা প্ৰকাণ্ড বটবৃক্ষ। যদি সেই বৃক্ষৰ ডাল-পাতবোৰ পৰিষ্কাৰ কৰি থকা যায়, শিপাত সাৰ-পানী দিয়া যায়, তেন্তে সেই গছে বেছি দিন ছাঁ দি থাকিব। দেশৰ সংসদখন যদি সেই বটবৃক্ষ হয়, তেন্তে যুৱ সংসদক নতুনকৈ গজালি মেলা শিপা বুলিব পাৰি বুলি উল্লেখ কৰি তেওঁ কয়— সেই শিপাবোৰ শক্তিশালী হ'লেই গণতন্ত্ৰৰ ভেঁটিও মজবুট হ'ব। সংসদে কেৱল চিঞৰ-বাখৰ কৰিবলৈ নিশিকায়, বৰঞ্চ বিপক্ষৰ যুক্তিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিকায়। যুৱ সংসদে যুৱকসকলক সচেতন নাগৰিক হিচাপে গঢ়ি তোলে বুলিও তেওঁ কয়। তেওঁ কয় যুৱ সংসদৰ দৰে অনুষ্ঠানে উদ্ভাৱনী চিন্তা গঢ়ি তোলে, ইয়াক কেৱল ৰাজনৈতিক তৰ্ক প্ৰতিযোগিতা বুলিব নোৱাৰি। ই হ'ল 'ৰাজনৈতিক ইনকিউবেটৰ'। তেওঁ কয় যে যুৱ সংসদে যুৱক-যুৱতীসকলৰ নেতৃত্বৰ গুণাৱলী বৃদ্ধি কৰে, সামাজিক সমস্যাৰ প্ৰতি সজাগতা বৃদ্ধি কৰে, সহনশীলতা আৰু যুক্তিবাদি চিন্তা গঢ়ি তোলে আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলে। মহাবিদ্যালয়ৰ অধ্যাপক তথা এন এছ এছৰ কাৰ্যক্ৰম বিষয়া শিৱনাথ চুতীয়াই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কয়— গণতন্ত্ৰ এখন ৰাষ্ট্ৰৰ মেৰুদণ্ড স্বৰূপ। যুৱ সমাজ দেশৰ ভৱিষ্যৎ আৰু গণতান্ত্ৰিক মূল্যবোধ সুৰক্ষিত কৰাটো যুৱ সমাজৰ দায়িত্ব। ডিব্ৰুগড় জিলাৰ যুৱ কল্যাণ বিষয়া অভীক ৰঞ্জন দাসে যুৱ সমাজৰ শক্তি আৰু উদ্যম সঠিক দিশত পৰিচালিত হ'ব লাগিব বুলি কয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈৰ লগতে মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে এই কাৰ্যসূচীত বিচাৰক হিচাপে উপস্থিত থাকে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক ড° বৰুণ দে', শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক ড° অমৰ উপাধ্যায়, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দৰ্পণজিৎ কোঁৱৰ, চাবুৱাৰ ডি ডি আৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ৰনেন্দ্ৰ খাউণ্ড। প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰা ডিব্ৰুগড় জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰায় ৫০ গৰাকী প্ৰতিযোগীৰ মাজৰ পৰা পাঁচগৰাকী শ্ৰেষ্ঠ প্ৰতিযোগীক অসম বিধানসভাত অনুষ্ঠিত হ'ব লগা ৰাজ্যিক পৰ্যায়ৰ যুৱ সংসদত ডিব্ৰুগড় জিলাক প্ৰতিনিধিত্ব কৰিবৰ বাবে নিৰ্বাচিত কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপক ড° জ্যোতি শইকীয়াই।

## শিল্পী-সাহিত্যিকে য

কৰা ভাষণত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াই এইদ
মন্তব্য কৰে। শিল্পীসকলক আলোকৰ যাত্ৰী বুলি অভিহিত ক
মন্ত্ৰী বড়াই শিল্পীসকলে নিজস্ব চিন্তন মননৰ জৰিয়তে নিজৰ সৃষ্টি
বিশ্ব সভালৈ লৈ যায় বুলি উল্লেখ কৰে। নিজৰ ভাষণত ম
বিমল বড়াই এখন সুস্থ সমাজ গঠনত শিল্পী সাহিত্যিকসকল
ভূমিকাৰ বিষয়েও আলোকপাত কৰে। সভাত উপস্থিত বিভি
বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে মন্ত্ৰীগৰাকীয়ে আনন্দ চ
আগৰৱালাৰ 'মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ আমিও কৰি
পাৰোঁ জীৱন গঢ়িত ..' পংক্তিটো গাই যিসকল মহান অসমীয়
স্মৃতিত বঁটা প্ৰদান কৰা হৈছে আৰু বঁটাপ্ৰাপকসকলৰ বিষয়ে বিস্তু
বিৱৰণ দাঙি ধৰে। উল্লেখ্য যে, এই অনুষ্ঠানত দুটা ৰাষ্ট্ৰীয় পৰ্যায়
বঁটাৰ লগতে আন পাঁচটা ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰা হয়
২০২৫ বৰ্ষৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি প্ৰদা
কৰা হয় সাহিত্যিক, শিক্ষাবিদ ড° অমলেন্দু চক্ৰৱৰ্তীক। আনহাতে
পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ বঁটা প্ৰদান কৰা হয় বিশিষ্ট সাহিত্যিক
শিক্ষাবিদ মনেশ্বৰ দেউৰীক। দুয়োগৰাকীকে সাংস্কৃতিক মন্ত্ৰী বিম
বড়াই একোখনকৈ মানপত্ৰ, শৰাই, গামোচা আৰু ক্ৰমে পাঁচ আ
তিনিলাখকৈ টকাৰ চে'ক্ প্ৰদান কৰে। আনহাতে, ৰাজ্যিক বঁটা
ভিতৰত ২০২৬ বৰ্ষৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

## অন্ধ্ৰত অগ্নিকাণ্ড

কমেও একুৰি লোকে। ৰাজ্যখনৰ এটা জনবসতিপূৰ্ণ অঞ্চল
সমীপত থকা কাৰখানাটোত এই অঘটন সংঘটিত হয়। দুৰ্ঘটনা
ভয়াৱহতা ইমানেই বেছি আছিল যে মুহূৰ্তৰ ভিতৰতে সম
এলেকাটো ধোঁৱা আৰু জুয়ে আৱৰি ধৰে। প্ৰত্যক্ষদৰ্শীৰ মতে
প্ৰথমতে বিস্ফোৰণৰ শব্দ শুনা গৈছিল যদিও তাৰ পিছত

## চক্ৰবেহুত ইৰান! যুদ্ধ আৰম্ভ